**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-11-2024 **Time :** 1205 Hrs

***Assamese Midday (1205 Hrs.) Bulletin***

বিশ্ব বৰেণ্য শিল্পী ড° ভূপেন হাজৰিকাৰ আজি ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী। ২০১১ চনৰ আজিৰ দিনটোতেই অনুৰাগীক শোকাহত কৰি শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰিছিল। ড° হাজৰিকাৰ মৃত্যু বাৰ্ষিকীত ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচীৰে শিল্পীগৰাকীক সোঁৱৰণ কৰা হৈছে। ৰাজ্য চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ উদ্যোগত গুৱাহাটীৰ জালুকবাৰীত থকা শিল্পীগৰাকীৰ সমাধিস্থলত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। সমাধিস্থলত পুৱা চাৰে ৯ বজাৰ পৰা স্মৃতিচাৰণ সভা আৰু সৰ্বধৰ্ম প্ৰাৰ্থনা অনুষ্ঠিত হয়। স্মৃতিচাৰণ সভাত মন্ত্ৰী অজন্তা নেওগ মুখ্য অতিথি হিচাপে উপস্থিত থাকে। শিল্পীজনাৰ সন্মানাৰ্থে গীত-নৃত্যৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। শিল্পীগৰাকীৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকী উপলক্ষে ড° ভূপেন হাজৰিকা সাংস্কৃতিক ন্যাসে গুৱাহাটীৰ চচলত সৰ্বধৰ্ম প্ৰাৰ্থনা সভাৰ আয়োজন কৰিছে। দীঘলীপুখুৰী পাৰত থকা প্ৰতিমূৰ্তিস্থলীত সদৌ অসম ছাত্ৰ সন্থাই ১০ হেজাৰ বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিব। ছাত্ৰ সন্থাই শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি হিচাপে ৰাজ্যজুৰি বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। ড° ভূপেন হাজৰিকাৰ মৃত্যু বাৰ্ষিকীৰ লগত সংগতি ৰাখি আজি দিনজোৰা কাৰ্যসূচীৰে গণেশপাৰা মিলনজ্যোতি সংঘৰ খেলপথাৰত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। আনহাতে আজি দিনৰ ২ বজাৰ পৰা ভূপেন্দ্ৰ সংগীত প্ৰতিযোগিতা আৰু সন্ধিয়া ৫ বজাত মুকলি সভা তথা বঁটা বিতৰণী সভা অনুষ্ঠিত হ'ব।

বড়োলেণ্ড বিশ্ববিদ্যালয়তো ড° হাজৰিকাৰ মৃত্যু বাৰ্ষিকী উপলক্ষে বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দৰং জিলাতো বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰ উদ্যোগত ড° ভূপেন হাজৰিকাক ত্ৰয়োদশ মৃত্যু বাৰ্ষিকীত স্মৰণৰ আয়োজন কৰা হৈছে। ড০ ভূপেন হাজৰিকা স্মৃতি ৰক্ষা সমিতি, মানুহে মানুহৰ বাবে আৰু সাংস্কৃতিক মহাসভাৰ দৰং জিলা সমিতিৰ উদ্যোগত মঙলদৈৰ ভূপেন হাজৰিকা স্মৃতি উদ্যানৰ পৰা পুৱা চাৰে পাঁচ বজাত প্ৰভাত ফেৰী উলিওৱাৰ পাছত উদ্যানত থকা প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনাই বন্তি প্ৰজ্বলন কৰা হয়। শিল্পীগৰাকীৰ কেইবাটাও কালজয়ী গীত পৰিৱেশনেৰে পুৱা চাৰে ৬ বজাত এই কাৰ্যসূচীৰ অন্ত পৰে। একেখন উদ্যানতে বিয়লি ৩ বজাৰ পৰা দৰং জিলা ছাত্ৰ সন্থাই আন্তঃ মঙলদৈ ছাত্ৰ সন্থাৰ সহযোগত **প্ৰনিপাত** শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাৰতৰত্ন ড° ভূপেন হাজৰিকাৰ ত্ৰয়োদশ মৃত্যু বাৰ্ষিকীত শিল্পীগৰাকীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে কৈছে যে ভূপেন হাজৰিকা অনন্ত কাললৈ অসমৰ আকাশত উজ্জ্বল নক্ষত্ৰ হৈ জীয়াই থাকিব। ভৱিষ্যত প্ৰজন্মই চিৰবন্দিত শিল্পীজনাক অমূল্য অৱদানৰাজিৰে সময়ৰ সোঁতত কঢ়িয়াই লৈ গৈ থাকিব বুলি শ্ৰী শৰ্মাই প্ৰকাশ কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহেও মৃত্যুবাৰ্ষিকী উপলক্ষে সুধাকণ্ঠ ড° ভূপেন হাজৰিকাক শ্ৰদ্ধাৰে স্মৰণ কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত গৃহমন্ত্ৰীগৰাকীয়ে কয় যে যুগজয়ী শিল্পীগৰাকীয়ে সংগীতৰ জৰিয়তে আমাৰ সংস্কৃতি আৰু ভাষাৰ মাহাত্ম্য প্ৰকাশ কৰি দেশক ঐক্যবদ্ধ কৰাত অৰিহণা যোগাইছিল। ড° হাজৰিকাৰ মহান সৃষ্টিৰাজি ভৱিষ্যত প্ৰজন্মৰ বাবে চিৰদিন অনুপ্ৰেৰণাৰ অনন্য উৎস হৈ থাকিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০০০

ৰাজ্যৰ পাঁচটা সমষ্টিত অহা ১৩ নৱেম্বৰত হ'বলগীয়া উপ-নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে প্ৰচাৰ তীব্ৰতৰ কৰি তুলিছে। মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা হিমন্ত বিশ্ব শৰ্মাই আজি ধলাই বিধানসভা সমষ্টিত উপ নিৰ্বাচনৰ প্ৰচাৰ চলাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে বিজেপি প্ৰাৰ্থী নিহাৰ ৰঞ্জন দাসৰ হৈ এন এম পি উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত নিৰ্বাচনী সভাত অংশ লৈছে। ইয়াৰ পাছত মুখ্যমন্ত্ৰীয়ে প্ৰাৰ্থীগৰাকীৰ হৈ পালাংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত আয়োজিত নিৰ্বাচনী সভাত ভাষণ দিব। কালি কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীৰ হৈ দলটোৰ কেন্দ্ৰীয় নেতা জিতেন্দ্ৰ সিঙে সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ চলায়। এই সভাত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, বিধায়ক খলিলউদ্দিন মজুমদাৰকে ধৰি কংগ্ৰেছৰ কেইবাজনো নেতাই অংশগ্ৰহণ কৰে। বিধানসভাত বিধোৰী পক্ষৰ নেতা তথা কংগ্ৰেছ বিধায়ক দেৱব্ৰত শইকীয়াই কালি বঙাইগাঁও সমষ্টিৰ দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ চিৰাঙৰ বৈখুন গাঁৱত নিৰ্বাচনী প্ৰচাৰ চলায়। নেতাগৰাকীয়ে এইবাৰ বঙাইগাঁও সমষ্টিত কংগ্ৰেছে এইবাৰ ভাল ফলাফল দেখুৱাব বুলিও আশা প্ৰকাশ কৰে। ইপিনে, এ আই ইউ ডি এফৰ নেতা বদৰুদ্দিন আজমলে ৰাজ্যখনৰ আসন্ন উপ-নিৰ্বাচনত ধৰ্ম নিৰপেক্ষ প্ৰাৰ্থীৰ হকে ভোটদান কৰিবলৈ আহ্বান জনাইছে। নেতাগৰাকীয়ে কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত এইদৰে আহ্বান জনায়। উল্লেখযোগ্য যে এ আই ইউ ডি এফে উপ নিৰ্বাচনত প্ৰাৰ্থী প্ৰক্ষেপ কৰা নাই।

oooooooo

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ষট পূজা উপলক্ষে ৰাজ্যবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা শুভেচ্ছা বাৰ্তাত এই শুভক্ষণত ছঠি মাইয়া আৰু সূৰ্যদেৱে নিজৰ আশীষেৰে সকলোৰে জীৱন ধন্য কৰিব বুলি আশা প্ৰকাশ কৰিছে। তেওঁ লগতে সকলোৰে সুখ, শান্তি আৰু সমৃদ্ধিৰ কামনা কৰিছে।

সমাগত ষট পূজা শান্তিপূৰ্ণভাৱে উদযাপন কৰাৰ লক্ষ্যৰে গুৱাহাটী আৰক্ষী আয়ুক্তৰ উদ্যোগত জিলা পুথিভঁৰালত এখন বিশেষ সভা অনুষ্ঠিত হয়। সভাত আৰক্ষী আয়ুক্ত দিগন্ত বৰাই পূজাৰ সময়ত পালন কৰিবলগীয়া নীতি-নিৰ্দেশনা সন্দৰ্ভত অৱগত কৰে। পূজাৰ সময়ত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ পৰা লাচিত ঘাটলৈ বাহন চলাচলত নিষেধাজ্ঞা আৰোপ কৰা হৈছে। টিআৰপি ৰোডত বাণিজ্যিক বাহন পাৰ্কিঙতো নিষেধাজ্ঞা জাৰি কৰা হৈছে। নিশা ৮ বজাৰ পৰা ১০ বজালৈহে ফটকা ফুটুৱাৰ অনুমতি প্ৰদান কৰা হৈছে। চুণচালি ঘাটতো বিশেষ সুৰক্ষামূলক ব্যৱস্থা গ্ৰহণ কৰা হ'ব। নৈৰ ঘাটত পূজাৰ সময়ত অঘটন নহ'বলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে নিৰ্দেশ জাৰি কৰিছে। আৰক্ষীৰ উপৰি পূজা সমিতিয়ে নিজাববীয়াকৈ স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব বুলি কোৱা হৈছে। আনহাতে ভিৰ নিয়ন্ত্ৰণ কৰিবলৈ পৃথক পৃথক প্ৰৱেশ আৰু প্ৰস্থানৰ ব্যৱস্থা থাকিব লাগিব। পুৱা আৰু সন্ধিয়াৰ সময়ত ৰাইজৰ আহ-যাহ কৰাত যাতে কোনো সমস্যাৰ সৃষ্টি নহয় তাৰ বাবে সমিতিসমূহক স্থানীয় আৰক্ষীৰ সহায় ল'বলৈ আহ্বান জনোৱা হৈছে। সাংস্কৃতিক অনুষ্ঠান বা সমদলৰ নামত অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নকৰিবলৈ আৰক্ষী আয়ুক্তগৰাকীয়ে আহ্বান জনাইছে।

oooooooo

সমাপ্ত